অসম

# অসম আৰক্ষীত আনুষ্ঠানিকভাৱে অন্তর্ভুক্ত হ'ল ১,৬৬৫গৰাকী নতুন কেডেট

দেৰগাঁৱৰ লাচিত বৰফুকন আৰক্ষী একাডেমীত প্ৰশিক্ষণ সমাপ্ত কৰি অসম আৰক্ষীত আনুষ্ঠানিকভাৱে যোগদান কৰিলে ১,৬৬৫গৰাকী নতুন কেডেটে।

প্ৰকাশ: ২৪ নৱেম্বৰ ২০২৬, আবেলি ৪:৫৯



1,665 cadets join Assam Police

দেৰগাঁও: দেৰগাঁৱৰ লাচিত বৰফুকন আৰক্ষী একাডেমীত প্ৰশিক্ষণ সফলতাৰে সম্পূৰ্ণ কৰি অসম আৰক্ষীত আনুষ্ঠানিকভাৱে যোগদান কৰিছে ১,৬৬৫গৰাকী নতুন কেডেটে। লাচিত দিৱস উপলক্ষে আয়োজিত দীক্ষান্ত পেৰেডত অংশগ্ৰহণ কৰি এই দলটোৱে আৰক্ষী বাহিনীত সেৱা আৰম্ভ কৰে।

নতুনকৈ সেৱাত যোগদান কৰা কেডেটসকলৰ ভিতৰত ১,১৮৯গৰাকী পুৰুষ আৰু ৪৭৬গৰাকী মহিলা আছে। একাডেমীখনৰ এইটো আছিল অষ্টমটো সমাৱৰ্তন। ২০২৫ চনৰ ২৯ ডিচেম্বৰৰ পৰা আৰম্ভ হোৱা এই প্ৰশিক্ষণ কাৰ্যসূচীত উপ-পৰিদৰ্শক (যোগাযোগ) আৰু সশস্ত্ৰবিহীন শাখাৰ কনিষ্টবলসকলে অংশ লৈছিল।

লাচিত বৰফুকন আৰক্ষী একাডেমীত নিয়মীয়া আৰক্ষী কনিষ্টবলৰ উপৰিও কমাণ্ডো, বন আৰক্ষী, অনাতাঁৰ শাখাৰ জোৱান আৰু উপ-আৰক্ষী অধীক্ষক পর্যায়ৰ বিষয়াসকলকো ইতিমধ্যে প্রশিক্ষণ দিয়া হৈছে। ইয়াৰ পূর্বে গোৱা আৰু মণিপুৰ আৰক্ষীৰ জোৱানেও এই প্রতিষ্ঠানটোত প্রশিক্ষণ গ্রহণ কৰিছিল।

ৰাজ্য চৰকাৰে দেৰগাঁও আৰক্ষী একাডেমীখনক ৰাষ্ট্রীয় পর্যায়ৰ এক প্রশিক্ষণ কেন্দ্র হিচাপে গঢ়ি তোলাৰ লক্ষ্য নির্ধাৰণ কৰিছে। এই লক্ষ্যৰ অংশ হিচাপে অহা ডিচেম্বৰ মাহত ৰাষ্ট্রীয় নিৰাপত্তা সুৰক্ষা বাহিনী অর্থাৎ এনএছজিৰ এটা কমাণ্ডো দল বিশেষ প্রশিক্ষণৰ বাবে দেৰগাঁৰলৈ আহিব। ইয়াৰ উপৰি পৰৱর্তী পর্যায়ত কেন্দ্রীয় অর্ধসামৰিক বাহিনী আৰু চোৰাংচোৱা সংস্থাৰ প্রায় ৫ হাজাৰ জোৱানক এই একাডেমীত প্রশিক্ষণ প্রদানৰ পৰিকল্পনা হাতত লোৱা হৈছে।

অনুষ্ঠানত উপস্থিত থাকি মুখ্যমন্ত্রী ড□ হিমন্ত বিশ্ব শর্মাই কয় যে একাডেমীখনৰ আন্তঃগাঁথনি সম্প্রসাৰণৰ কাম দ্রুতগতিত চলি আছে আৰু অহা দুবছৰৰ ভিতৰত এই কাম সম্পূর্ণ কৰাৰ লক্ষ্য লোৱা হৈছে। ভৱিষ্যতে আহিবলগীয়া প্রশিক্ষার্থীসকলৰ বাবে উন্নত আৱাসিক ব্যৱস্থা আৰু বিশেষ পাঠ্যক্রম প্রস্তুত কৰা হ'ব বুলিও মুখ্যমন্ত্রীগৰাকীয়ে প্রকাশ কৰে।

---

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/5937/assam-police-new-cadets-dergaon-academy